**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-JUNE-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত ভৌগলিক সূচ্যাংক লাভ কৰা তেজপুৰৰ লিচু ছিংগাপুৰলৈ ৰপ্তানীৰ শুভাৰম্ভ কৰে। ছিংগাপুৰলৈ সুস্বাদু পিঁয়াজী প্ৰজাতিৰ ৫০০ কিলোগ্ৰাম লিচু ৰপ্তানী কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই সাংবাদিকৰ আগত কয়, যে তেজপুৰৰ লিচুৱে বিগত কেইটামান বছৰত আন্তঃৰাষ্ট্ৰীয় বজাৰত স্থান পাবলৈ সক্ষম হৈছে। কিছুদিনৰ আগতে কৃষি আৰু সংসাধিত খাদ্য-সামগ্ৰী ৰপ্তানী উন্নয়ন পৰিষদ, এপেডাৰ জৰিয়তে ডুবাইলৈ এহেজাৰ কিলোগ্ৰাম লিচু ৰপ্তানি কৰা হৈছিল বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে উপযুক্ত পৰিকল্পনা আৰু বহনক্ষম প্ৰচেষ্টাৰ জৰিয়তে অসমে লিচু, কাজি নেমু আৰু ভোট জলকীয়াকে ধৰি কেতবোৰ কৃষি সামগ্ৰী আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ প্ৰেৰণ কৰিব পাৰি। তেওঁ লগতে এনে পদক্ষেপে অনাগত সময়ত কৃষকসকলক উৎসাহিত কৰাৰ উপৰি লিচুৰ খেতি বৃদ্ধি কৰিব বুলি উল্লেখ কৰে। শেহতীয়াকৈ ডুবাইলৈ লিচু ৰপ্তানীৰ পাছতে ছিংগাপুৰৰ বজাৰলৈ লিচুৰ প্ৰেৰণে অসমৰ উৎকৃষ্ট মানৰ কৃষি সামগ্ৰীৰ আন্তঃৰাষ্ট্ৰীয় চাহিদা বৃদ্ধি পোৱাকে সূচায় বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

অসমৰ কৃষকক বিশ্ব বজাৰৰ সৈতে সংযোগ ঘটোৱা, কৃষিজাত উৎপাদনক অধিক মূল্য সংযোজনৰ সুযোগ দিয়া তথা উৎকৃষ্টমানৰ সামগ্ৰীসমূহক আন্তৰ্জাতিক পৰ্যায়ত চিনাকি কৰি দিয়াৰ বাবে ৰাজ্য চৰকাৰে লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০

বিজেপিৰ ডিব্ৰুগড়ৰ মাণ্ডলিক কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত কালি কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ৰ ছটা বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচিত বিধায়কসকলক সম্বৰ্ধনা জনায়। অনুষ্ঠানত মন্ত্ৰী বিমল বৰা, ৰামেশ্বৰ তেলী, বিধায়ক তৰংগ গগৈ, চক্ৰধৰ গগৈ, পুলক গোহাঁই আৰু সঞ্জয় কিষাণক সম্বৰ্ধনা জনোৱা হয়। শ্ৰী সোণোৱালে বিধায়কসকলক জনসাধাৰণৰ আস্থাৰ প্ৰতি সন্মান জনাই সেৱা আৰু সমৰ্পণৰ মনোভাৱেৰে কাম কৰি নিজ নিজ সমষ্টিৰ লগতে ৰাজ্যৰ সৰ্বাংগীন উন্নয়নত অৰিহণা যোগাবলৈ আহ্বান জনায়। দুলীয়াজান সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে নিজ নিজ দায়িত্ব পালনেৰে বিধায়কসকলে জনকল্যাণৰ স্বাৰ্থত কাম কৰি যাব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

বাইট (তেলী)

০০০০০০

চৰাইদেউ জিলাৰ মাহমৰা ৰাজহ চক্ৰত আফ্ৰিকান ছোৱাইন ফিভাৰৰ অৱস্থিতি নিশ্চিত হোৱাৰ পাছতে জিলা প্ৰশাসনে জৰুৰী নিৰ্দেশনা জাৰি কৰিছে। জিলাখনৰ পশু চিকিৎসা বিষয়াৰ পৰা লাভ কৰা তথ্য অনুসৰি চৰাইদেউৰ মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত লুখৰাখন গাঁৱত এই ৰোগৰ অৱস্থিতি ধৰা পৰিছে। জিলা দণ্ডাধীশ ড০ নেহা যাদৱে জাৰি কৰা নিৰ্দেশনাটোত ৰোগৰ সংক্ৰমণ ৰোধ কৰাৰ স্বাৰ্থত

মাহমৰা ৰাজহ চক্ৰৰ ভিতৰত গাহৰি পালন বা গাহৰি মাংসৰ বিক্ৰী তথা ক্ৰয় কৰা নিষিদ্ধ কৰিছে। যদি কোনো গাহৰিৰ মৃত্যু হয় তেন্তে ততালিকে স্থানীয় পশু চিকিৎসা বিভাগক গাহৰি পালকে জনাব লাগিব। লগতে গাহৰি মৃতদেহসমূহ জৈৱ সুৰক্ষা বিধি মানি দ' গাঁতত পুতি পেলোৱাৰ ব্যৱস্থা কৰিব লাগিব। নিৰ্দেশনাত সকলো গাহৰি পালকক জৈৱ সুৰক্ষা ব্যৱস্থা মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে। এই নিৰ্দেশনা কালিৰ পৰা কাৰ্যকৰী হৈছে আৰু পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বাহাল থাকিব। নিৰ্দেশনা উলংঘা কৰা লোকৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশনাটোত স্পষ্ট উল্লেখ কৰা হৈছে।

০০০০০০

মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি জিলা পথ সুৰক্ষা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত সৃষ্টি সিংহৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত জিলাখনৰ সামগ্ৰিক পথ সুৰক্ষা ব্যৱস্থা আৰু শেহতীয়া চৰকাৰী নিৰ্দেশনাসমূহৰ ৰূপায়ণ সন্দৰ্ভত বিতংভাৱে পৰ্যালোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে পথ সুৰক্ষাৰ নিয়মসমূহ কঠোৰভাৱে পালন কৰিবলৈ আৰু জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰিবলৈ সকলো বিভাগকে একত্ৰিতভাৱে কাম কৰাৰ নিৰ্দেশ দিয়ে। যান-বাহনৰ নিয়ম উলংঘাকাৰী চালকৰ বিৰুদ্ধে পৰিবহণ আৰু আৰক্ষী বিভাগক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত ভাস্কৰজ্যোতি বৰা, সহকাৰী আয়ুক্ত তথা সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড় পাঁচআলি নিবাসী, বিশিষ্ট ব্যৱসায়ী তথা উজনি অসমৰ অন্যতম খেলৰ সামগ্ৰীৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী মুহিদুৰ ৰহমানৰ কালি সন্ধিয়া মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৫ বছৰ। আজিৰ তেওঁৰ জানাজা আমোলাপট্টি কবৰস্থানত সম্পন্ন হ'ব বুলি পৰিয়ালৰ সূত্ৰই জনাইছে।

০০০০০০

**সমাপ্ত**